**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 18-09-2026**
**Time:** 0755 Hrs

***Assamese Morning Bulletin***
*::::::::::::::::::::::::::::::::::::::*

০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি সন্মান জনাই তেওঁৰ সৃষ্টিৰাজি উদযাপনৰ বাবে কাইলৈ ৰাজ্যজুৰি জুবিন দিৱস পালনৰ অংশ হিচাপে কালিৰেপৰা তিনিদিনীয়া কাৰ্যসূচী অনুষ্ঠিত হৈছে। কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেচন, জুবিন গাৰ্গ ন্যাসকে ধৰি বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ উদ্যোগত আৰু সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত সোণাপুৰৰ জুবিন ক্ষেত্ৰত এই দিৱস পালন কৰা হৈছে।

সদৌ অসম ছাত্ৰ সন্থাই প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই ১৯ ছেপ্তেম্বৰত ৰাজ্যজুৰি **পোহৰেৰে চাকি গছি** শীৰ্ষক বিশেষ কাৰ্যসূচীৰ আয়োজন কৰিছে। গুৱাহাটীৰ লতাশিল খেলপথাৰত সদৌ কামৰূপ মহানগৰ জিলা ছাত্ৰ সন্থা আৰু সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ সহযোগত সেইদিনা সন্ধিয়া ৬ বজাত কেন্দ্ৰীয়ভাৱে এই কাৰ্যসূচী অনুষ্ঠিত কৰা হ'ব। ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা আৰু সাধাৰণ সম্পাদক সমীৰণ ফুকনে এই বিষয়ে প্ৰকাশ কৰি কয়, যে সদৌ অসম ছাত্ৰ সন্থাই প্ৰতিখন জিলা সদৰত ছাত্ৰ-ছাত্ৰী, স্থানীয় শিল্পী, তথা ৰাইজে সমবেত কণ্ঠত মায়াবিনী গীতটি পৰিৱেশন কৰিবলৈ আহ্বান জনাইছে।

ইপিনে, শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই ৰাজ্যিক বিজেপিয়ে ৰক্তদান শিবিৰৰ আয়োজন কৰিছে।

ৰাজ্যৰ ৩৯ খন বিজেপি সাংগঠনিক জিলাত ৰক্তদান শিবিৰ অনুষ্ঠিত হ'ব। ইয়াৰ বাবে ইতিমধ্যে ৰাজ্যিক যুৱ মৰ্চাই প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। এই সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে এনেদৰে কয় –

বাইট

অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে কাইলৈ প্ৰাণৰ শিল্পীক সুঁৱৰি ৰাজ্যজুৰি জুবিন গাৰ্গ স্মৃতি সন্ধ্যা পালনৰ সিদ্ধান্ত লৈছে। এই সন্দৰ্ভত দলৰ সভাপতি গৌৰৱ গগৈৰ নিৰ্দেশমৰ্মে সাধাৰণ সম্পাদকে জাৰি কৰা জাননী অনুসৰি স্মৃতি সন্ধ্যাৰ অংশ হিচাপে বন্তি প্ৰজ্বলন, শান্তিপূৰ্ণ শোভাযাত্ৰাকে ধৰি অন্যান্য কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০

যোৰহাটত অনুষ্ঠিত হোৱা জিলা আয়ুক্তসকলৰ সন্মিলনত আলোচিত বিভিন্ন বিষয়, সিদ্ধান্ত আৰু নিৰ্দেশনাসমূহ জিলা পৰ্যায়ত ফলপ্ৰসূভাৱে ৰূপায়ণৰ বাবে ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে শিক্ষা বিভাগৰ বিষয়াসকলক জনোৱাৰ উদ্দেশ্যে কালি এখন সভা অনুষ্ঠিত কৰে। সভাত জিলা আয়ুক্তগৰাকীয়ে শিক্ষা বিভাগৰ বিষয়াসকলক জিলাখনত শিক্ষাখণ্ডৰ সামগ্ৰিক উন্নয়ন, চৰকাৰী আঁচনি আৰু কাৰ্যসূচীসমূহৰ ফলপ্ৰসূ ৰূপায়ণ, শিক্ষাৰ্থীসকলৰ বাবে উন্নত শৈক্ষিক পৰিৱেশ সৃষ্টি আৰু কাম-কাজসমূহ অধিক সমন্বিতভাৱে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে।

০০০০

কাৰিকৰী বিদ্যাৰ অধিষ্ঠাতা, বিশ্বখনিকৰ শ্ৰীশ্ৰীবিশ্বকৰ্মা পূজা আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত পালন কৰিবলৈ লোৱা হৈছে। গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত এই পূজাৰ বাবে ব্যাপক আয়োজন কৰা হৈছে। পুৱাৰে পৰা গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন অঞ্চলৰ পূজা মণ্ডপ সমূহত বিশ্বখনিকৰক আৰাধনাৰ বাবে প্ৰস্তুতি চলোৱা হৈছে। ৰাজ্যৰ বিভিন্ন কল-কাৰখানা, চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠান, কাৰিকৰী প্ৰতিষ্ঠান, ছপাশাল আদিত সমূহীয়াভাৱে পূজাৰ আয়োজন কৰাৰ লগতে ব্যক্তিগত ভাৱেও বিশ্বকৰ্মা পূজাৰ আয়োজন কৰা হৈছে। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন স্থানত নাম প্ৰসংগ, সাংস্কৃতিক অনুষ্ঠান আদি অনুষ্ঠিত হ'ব।

আকাশবাণী গুৱাহাটীৰ চৌহদত আজি পৰম্পৰাগত ৰীতি-নীতিৰে বিশ্বকৰ্মা পূজা পালন কৰিবলৈ লোৱা হৈছে। ধুবুৰী জিলাত আজি উলহ-মালহেৰে বিশ্বকৰ্মা পূজা অনুষ্ঠিত হৈছে। জিলাখনৰ বিলাসীপাৰা, গোলকগঞ্জ আৰু গৌৰীপুৰৰ কল-কাৰখানা, ব্যক্তিগত প্ৰতিষ্ঠান আদিত বৈদিক নিয়মেৰে এই পূজা পালন কৰা হ'ব। এই উপলক্ষে সমগ্ৰ জিলাখনতে উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰিছে। নলবাৰী জিলাৰো বাছ আস্থান, গেৰেজ, কল-কাৰখানা আৰু বিভিন্ন প্ৰতিষ্ঠানত আড়ম্বৰপূৰ্ণভাৱে বিশ্বকৰ্মা পূজাৰ আয়োজন কৰা হৈছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন উদ্যোগ, ছপাশাল, ব্যৱসায়িক প্ৰতিষ্ঠান, কাৰ্যালয়, বাছ আস্থান, গেৰেজ আদিত আজি পুৱাৰে পৰা বিশ্বকৰ্মা পূজা উপলক্ষে উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে।

০০০০

দুলীয়াজানৰ নাওশলীয়া বৰকলা মাজগাঁও পথাৰত অহা ৩১ জানুৱাৰীৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে হ'বলগীয়া অসম সাহিত্য সভাৰ দ্বিবাৰ্ষিক অধিবেশনৰ পতাকা উত্তোলনস্থলীত ২৫ সহস্ৰাধিক পুৰুষ-মহিলাই জাতীয় সংগীত পৰিবেশন কৰিব। অষ্টসপ্ততিতম দ্বিবাৰ্ষিক দুলীয়াজান অধিবেশনৰ আদৰণি সমিতিয়ে কালি এখন সংবাদ মেলত এই কথা সদৰি কৰে। উদ্যোক্তা সমিতিয়ে প্ৰকাশ কৰা মতে টাই আহোমৰ ধৰ্মীয় পৰম্পৰা মেডাম-মেহফিৰে এই অধিবেশনৰ আৰম্ভণি হ'ব। পহিলা ফেব্ৰুৱাৰীত অসম সাহিত্য সভাই ১১১ বছৰৰ ভৰি দিয়া উপলক্ষে মূল পতাকা সহ ১১১খন পতাকা উত্তোলন কৰা হ'ব। অধিবেশনৰ বাবে ৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰাত ৰাজ্যৰ সকলো জাতি-জনগোষ্ঠীৰ পৰম্পৰা আৰু ঐতিহ্য প্ৰতিফলিত কৰাৰ ব্যৱস্থা লোৱা হৈছে বুলি উদ্যোক্তা সমিতিয়ে জানিবলৈ দিয়ে। তেওঁলোকে কয় যে অধিবেশনত ৭০০ পৃষ্ঠাৰ স্মৃতিগ্ৰন্থৰ লগতে ১১১খন বিভিন্ন গ্ৰন্থও প্ৰকাশ কৰি উলিওৱা হ'ব। দুলীয়াজান অধিবেশনত নতুনকৈ অসম সাহিত্য সভাৰ আজীৱন সদস্য আৰু হিতৈষী সদস্যসকলৰ সৈতে বিশেষ আলোচনাচক্ৰ সংযোজন হ'ব বুলিও সমিতিয়ে প্ৰকাশ কৰে।

০০০০

শিলচৰৰ প্ৰথমটো পৌৰ নিগম নিৰ্বাচনৰ পূৰ্বে বিজেপিৰ দুজন প্ৰাৰ্থী বিজেন্দ্ৰ প্ৰসাদ সিঙে ৯ আৰু ভক্তিসেন তালুকদাৰে আৰু ২০ নম্বৰ ৱাৰ্ডত বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰে। কালি মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিনটোত মুঠ ১৮ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰে। ইয়াৰে ৩ জন কংগ্ৰেছৰ আৰু ছজন বিজেপিৰ ক্ষুব্ধ নিৰ্দলীয় প্ৰাৰ্থী। এতিয়া ৪২ টা ৱাৰ্ডত মুঠ ১৩৩ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব।

০০০০

ঃঃ সমাপ্ত ঃঃ